**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-05-2026 **Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ইটালী ভ্ৰমণ সফলতাৰে সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীলৈ উভতি আহিছে।

২। ৰোমত থকা খাদ্য আৰু কৃষি সংস্থাৰ মুখ্য কাৰ্যালয়ত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এগ্ৰিক'লা পদকেৰে সন্মানিত কৰা হয়।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰক এখন শক্তিশালী আত্মবিশ্বাসী আৰু সমৰ্থ ৰাষ্ট্ৰ হিচাপে ভাৰতৰ ৰূপান্তৰৰ সাক্ষী বুলি অভিহিত কৰিছে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছে মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে।

ooooooooo

পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ইটালী ভ্ৰমণ সফলতাৰে সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীলৈ উভতি আহিছে। ভাৰত আৰু ইটালীয়ে কালি দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে দুয়ো দেশৰ বিশেষ কৌশলগত অংশীদাৰিত্বৰ কথা ঘোষণা কৰে। দেশ দুখনে কালি কৃষি, জটিল খনিজ পদাৰ্থ, বিজ্ঞান আৰু প্ৰযুক্তি, আয়ুৰ্বেদ আৰু ভাৰতীয় নাৰ্ছসকলৰ চিকিৎসাজনিত প্ৰয়োজন সাপেক্ষে ইটালীলৈ আহ-যাহ সূচল কৰাৰ সন্দৰ্ভত চুক্তি স্বাক্ষৰ কৰে। তদুপৰি কৰজনিত অপৰাধ ৰোধ কৰা, ধনৰ অবৈধ সৰবৰাহকে ধৰি বিভিন্ন বিত্তীয় জালিয়াতি ধৰা পেলাবৰ বাবেও দেশ দুখনে চুক্তিত স্বাক্ষৰ কৰে। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে ৰোমত যুটীয়াকৈ সংবাদমেল সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে ইটালী নিখুঁত ৰূপত বিভিন্ন নক্সা বা শৈলী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বিশ্ব বিখ্যাত হোৱাৰ লগতে ভাৰতে ব্যয়সাধ্য উদ্ভাৱন আৰু প্ৰতিভাৰ ক্ষেত্ৰত বৃহৎ শক্তি হিচাপে বিশ্বত পৰিগণিত হৈছে। ভাৰত আৰু ইটালীৰ প্ৰতিৰক্ষা ঔদ্যোগিক ক্ষেত্ৰৰ পৰিকল্পনাই সহ উন্নয়ন আৰু সহ উৎপাদনৰ পথ প্ৰশস্ত কৰিছে। শ্ৰীমোদীয়ে কয়, যে দুয়োখন দেশে সামুদ্ৰিক অৰ্থনীতি, জাহাজ চলাচল, বন্দৰ আধুনিকীকৰণ, পৰিবহনকে ধৰি কেইবাটাও ক্ষেত্ৰত একেলগে কাম কৰিব। সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগান বিৰুদ্ধে অংশীদাৰীভাবে ভাৰত আৰু ইটালীয়ে গ্ৰহণ কৰা শক্তিশালী স্থিতি বিশ্বৰ সন্মুখত নিৰ্দশন হিচাপে পৰিগণিত হৈছে বুলি শ্ৰীমোদীয়ে কয়। ইউক্ৰেইন, পশ্চিম এছিয়া আৰু বিশ্বৰ অন্যান্য সংঘাতময় পৰস্থিতিৰ সন্দৰ্ভত দুয়ো দেশে যোগাযোগ ৰক্ষা কৰি আছে বুলিও তেওঁ উল্লেখ কৰে। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিয়ে কয়, যে দুয়ো দেশে উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত পৰিপূৰক হিচাপে কাম কৰি যাব। উন্নত আন্তঃগাঁথনি, নিৰ্মাণ খণ্ড, ইন্ধন,

মহাকাশ অৰ্থনীতি আৰু প্ৰতিৰক্ষা খণ্ডত উন্নয়নৰ বাবে দেশ দুখনে একেলগে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মেলনিয়ে কয়। শ্ৰীমেলনিয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জাহাজ চলাচল সূচল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

ইটালীৰ ৰোমত থকা খাদ্য আৰু কৃষি সংস্থাৰ মুখ্য কাৰ্যালয়ত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সন্মানীয় এগ্ৰিক'লা পদকেৰে সন্মানিত কৰা হয়। এই সন্মান গ্ৰহণ কৰি শ্ৰীমোদীয়ে দেশৰ লক্ষ লক্ষ কৃষক, পশুপালক, মীন পালক, কৃষি বিজ্ঞানী আৰু কৰ্মীসকলৰ প্ৰতি এই সন্মান উৎসৰ্গা কৰে। সংস্থাটোৰ সঞ্চালকপ্ৰধান কিউ ডংগিউৱে এই সন্মান প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাবে প্ৰদান কৰে। সন্মান গ্ৰহণ কৰি শ্ৰীমোদীয়ে কয়, যে এই সন্মানে খাদ্য সুৰক্ষা, বহনক্ষম উন্নয়ন আৰু মানৱ কল্যাণৰ প্ৰতি ভাৰতৰ অবিৰত দায়বদ্ধতাকে প্ৰতীয়মান কৰিছে। খাদ্য সুৰক্ষা কেৱল নীতি নিৰ্ধাৰণৰ বিষয় নহয়, বৰং মানৱতাৰ প্ৰতি এয়া এক দায়িত্ব বুলি শ্ৰীমোদীয়ে কয়। ভাৰতে বহনক্ষম, পৰিৱেশ সহনশীল আৰু ভৱিষ্যমুখী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। সম্প্ৰতি দেশৰ কৃষিৰ ক্ষেত্ৰত প্ৰযুক্তি এটা অন্যতম শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে এগ্ৰিক'লা পদক হৈছে ইটালীৰ খাদ্য আৰু কৃষি সংস্থাৰ সঞ্চালকপ্ৰধানে অৰ্পণ কৰা সৰ্বশ্ৰেষ্ঠ সন্মান। খাদ্য সুৰক্ষা, বহনক্ষম কৃষি, দৰিদ্ৰতা হ্ৰাস আৰু পৰিপুষ্টি উন্নীতকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ আগশাৰীৰ নেতালৈ এই সন্মান আগবঢ়োৱা হয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী মোদীক এগ্ৰিক'লা পদক লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে শ্ৰীশ্বাহে কয়, যে এই সন্মান লক্ষ লক্ষ কৃষক আৰু কৃষিখণ্ডৰ সৈতে জড়িত লোকলৈ অনবদ্য স্বীকৃতি স্বৰূপ।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেল খাদ্য আৰুকৃষি সংস্থাৰ এগ্ৰিক'লা বঁটাৰে সন্মানিত হোৱা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীগোৱেল এই সন্মানক ভাৰতৰ কৃষক, মাছমৰীয়া, বিজ্ঞানী আৰু কৃষি খণ্ডৰ অন্যান্য শ্ৰমিকসকলৰ অপৰিসীম স্বীকৃতি  হিচাপে অভিহিত কৰে। তেওঁ কয়, যে এই বঁটাৰে  জৰিয়তে খাদ্য সুৰক্ষা, জনকল্যাণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতি দেশৰ অটল দায়বদ্ধতাক স্বীকৃতি দিয়া হৈছে।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই সন্মান প্ৰদান কৰাত সন্তোষ প্ৰকাশ কৰিছে। নৰেন্দ্ৰ মোদী চৰকাৰে ভাৰতৰ কৃষি আৰু সংশ্লিষ্ট খণ্ডসমূহৰ বৃদ্ধিৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীমতী সীতাৰমণে সামাজিক মাধ্যমৰ জৰিয়তে  প্ৰকাশ কৰে। এই পদক্ষেপসমূহৰ ভিতৰত শস্য বীমা আঁচনি, মেগা ফুড পাৰ্ক, কিষাণ ক্ৰেডিট কাৰ্ড, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আদি অন্যতম বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

ভাৰত আৰু ইটালীয়ে ২০২৭ বৰ্ষটো সংস্কৃতি আৰু পৰ্যটনৰ বৰ্ষ হিচাপে উদ্‌যাপন কৰি দুয়ো দেশৰ প্ৰাচীন সভ্যতা আৰু সাংস্কৃতিক বিনিময় কৰিব। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিয়ে কয়, যে এই পদক্ষেপে পাৰস্পৰিক বুজাবুজি গভীৰ কৰাৰ লগতে দেশ দুখনৰ সাংস্কৃতিক কূটনৈতিক ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব। তেওঁ কয়, যে বিভিন্ন দেশৰ মাজত সম্পৰ্ক উন্নীত কৰাৰ বাবে ৰাজনৈতিক আৰু

অৰ্থনৈতিক বান্ধোন শক্তিশালী কৰাটোৱে যথেষ্ট নহয়, বৰং জনসাধাৰণ আৰু সমাজৰ সংযোগ সাধন কৰাটো গুৰুত্বপূৰ্ণ কথা। ভাৰত আৰু ইটালীয়ে ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰ বিকশাই তোলাৰ বাবে কাম কৰিব বুলি মেলনিয়ে কয়। এই কৰিডৰে বাণিজ্য, বিনিয়োগ আৰু যোগান শৃংখলা স্থিতিস্থাপক কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। দুয়ো দেশে আন্তঃৰাষ্ট্ৰীয় সুস্থিৰতা, অৰ্থনৈতিক সুৰক্ষা, শান্তি আৰু সৰ্বাত্মক উন্নয়নকে ধৰি কেইবাটাও বিষয়ত উমৈহতীয়া মত পোষণ কৰে বুলি ইটালীৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰক এখন শক্তিশালী আত্মবিশ্বাসী আৰু সমৰ্থ ৰাষ্ট্ৰ হিচাপে ভাৰতৰ ৰূপান্তৰৰ সাক্ষী বুলি অভিহিত কৰিছে। কোৰিয়াত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক সম্বোধন কৰি দিয়া ভাষণত শ্ৰীসিঙে কয়, যে এই অভিযানে প্ৰমাণ কৰে যে ভাৰতে কোনো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপক সহ্য নকৰে। ভাৰতে কেতিয়াও প্ৰথমে আক্ৰমণৰ নীতিক বিশ্বাস নকৰে যদিও পাৰমাণৱিক আক্ৰমণৰ ভয় ভাবুকিও সহ্য নকৰে। শ্ৰীসিঙে প্ৰতিৰক্ষা খণ্ডত ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰতি দায়বদ্ধতাৰ কথাও উল্লেখ কৰে। অহা এক দুবছৰৰ ভিতৰত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ লগতে পৰৱৰ্তী দুমাহৰ ভিতৰত প্ৰতিৰক্ষা উৎপাদন ১লাখ ৭৫হাজাৰ কোটি টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। ভাৰত সম্প্ৰতি বিশ্বক সমাধান দিব পৰাকৈ এটা গোলকীয় শক্তিলৈ পৰিণত হৈছে আৰু বিগত এটা দশকত দেশখনে বিভিন্ন ক্ষেত্ৰত ব্যাপক ৰূপান্তৰ সাধন কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীসিঙে ছিউলত কালি ভাৰত-কোৰিয়া প্ৰতিৰক্ষা উদ্যোগ ক্ষেত্ৰ তথা ব্যৱসায়িক খণ্ডৰ ঘূৰণীয়া মেজমেলত অংশ লয়। নিজৰ ভাষণত শ্ৰীসিঙে ভাৰত আৰু কোৰিয়াৰ ঔদ্যোগিক আৰু বাণিজ্যিক সহযোগিতাই দেশ দুখনৰ দীৰ্ঘকালীন আস্থাপূৰ্ণ অংশীদাৰিত্বৰ ইংগিত বহন কৰিছে বুলি উল্লেখ কৰে। এই কাৰ্যসূচীত দুয়ো দেশৰ মাজত প্ৰতিৰক্ষা উদ্ভাৱন আৰু প্ৰযুক্তি সম্পৰ্কীয় দুখন চুক্তি স্বাক্ষৰ কৰা হয়।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছে কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত বিজয়ী হোৱাৰ ফলত কলকাতা নাইট ৰাইডাৰ্ছে প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা সজীৱ কৰি ৰাখিবলৈ সক্ষম হৈছে। বৰষুণৰ বাবে কিছু সময় বন্ধ কৰি ৰাখিবলগীয়া খেলখনত মুম্বাইয়ে নিৰ্ধাৰণ কৰি দিয়া ১৪৮ ৰানৰ লক্ষ্য কলকাতা নাইট ৰাইডাৰ্ছে হাতত ৪টা উইকেট আৰু ৭টা বল বাকী থকা অৱস্থাত অতিক্ৰম কৰে। কলকাতাৰ মনীষ পাণ্ডেই সৰ্বাধিক ৪৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ৰভমেন পাৱেলে ৪০ ৰানৰ অৰিহণা যোগায়। মনীষ পাণ্ডেক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছৰ কৰ্বিন বছে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০অ'ভাৰত ৮টা উইকেট হেৰুৱাই ১৪৭ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ কৰ্বিন বছে সৰ্বাধিক ৩২ ৰান সংগ্ৰহ কৰে। আনহাতে, কলকাতাৰ সৌৰভ ডুবে, কেমেৰন গ্ৰীণ আৰু কাৰ্তিক ত্যাগীয়ে ২টাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি আহমেদাবাদ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে ইতিমধ্যে প্লে

অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০০০০০

বাংলাদেশ আই চি চিৰ চলিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ৰেংকিঙৰ পঞ্চম স্থানলৈ উন্নীত হৈছে। দলটোৱে পাকিস্তানৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাটো ২-০ ব্যৱধানেৰে হস্তগত কৰাৰ লগে লগে ৰেংকিঙ এই স্থান লাভ কৰিবলৈ সমৰ্থ হয়। বাংলাদেশে চিলেটত অনুষ্ঠিত শৃংখলাৰ দ্বিতীয়খন খেলত কালি পাকিস্তানক ৭৮ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত বাংলাদেশৰ হৈ টাইজুল ইছলামে মুঠ ৯টা উইকেট দখল কৰে। এয়া হ'ল ঘৰুৱা খেলপথাৰত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ প্ৰথম শৃংখলা বিজয়। ২০২৪ চনত পাকিস্তানৰ মাটিতে পাকিস্তানৰ বিৰুদ্ধে ২-০ ফলাফলত জয়লাভ কৰাৰ পাছত এয়া হ'ল দলটোৰ বিৰুদ্ধে বাংলাদেশৰ ক্ৰমাগতভাৱে দ্বিতীয়টো শৃংখলা বিজয়। এই পৰাজয়ৰ পাছত পাকিস্তান সম্প্ৰতি আই চি চিৰ চলিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ৰেংকিঙৰ অষ্টম স্থানত আছে।

০০০০০০০০০

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ মধ্যপ্ৰদেশৰ ভূপালস্থিত উধৱ দাস মেহতা ভাই জী চেণ্ট্ৰেল চেণ্টাৰত ভাৰতৰ ১৮ বছৰ অনুৰ্ধৰ পুৰুষৰ হকী দল আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত শৃংখলাৰ চতুৰ্থ আৰু অন্তিমখন খেল কালি ৩-৩ গ'লত ড্ৰ' হয়। শৃংখলাটোৰ এখনকৈ খেলত ভাৰতে জয়ী আৰু আৰু পৰাজিত হোৱাৰ বিপৰীতে আন দুখন খেল ড্ৰ'ৰে সমাপ্ত হয়। কালিৰ খেলখনত ভাৰতৰ হৈ অধিনায়ক কেতন কুশৱাহা, কৰণ গৌতম আৰু বেন সিদ্ধাৰ্থে গ'ল দিয়ে।

০০০০০০০০০

সমাপ্ত